# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Friday, the 5th October, 1990.**

**The House met at 8.30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pulakesh Baruah, Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

(To which Oral replies were given)

## POINT OF ORDER

**Mr. Speaker** : Now Starred Question No. 3.

* **Shri Ratneswar Sarkar :** Mr. Speaker Sir, Point of order, the first question is here. This should be raised first.

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ যিমান সময় কাৰ্য্য কাল আছে সেই সময়খিনিৰ ভিতৰত তথ্যপাতি নাপাব, এনেধৰণৰ প্ৰশ্ন বহুতবাৰ কৰা হৈছে চৰকাৰে তাৰিখ দিয়ে কিন্তু অনুসন্ধান কৰা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ৰ যদি সৎ সাহস আছে তেনেহলে এই বিধান সভাৰ পাছতে স্থানীয় বিধায়কক লগতলৈ অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব নে?

* **শ্ৰীগনেশ কুটুম(পঞ্চায়ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় পুজা বন্ধ দিঘলীয়া হোৱা কাৰণে এই অসুবিধা হৈছে। তথাপি তথ্য সংগ্ৰহ কৰি থকা হৈছে, সংগ্ৰহ হলেই তেখেতক ব্যক্তিগত ভাবে হলেও জনোৱা হব।

* **শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ** মোৰ প্ৰশ্নটো হ'ল স্থানীয় বিধায়কক লগত লৈ অনুসন্ধান কৰিব নেকি? বিভাগীয়ভাবে অনুসন্ধান হোৱা মানে ৫০ : ৫০ হোৱা। গতিকে আমাক লগত লৈ অনুসন্ধান কৰিব নেকি?

* **শ্ৰীগনেশ কুটুম(মন্ত্ৰী) ঃ** তেখেতে নিজে বি, এল, চি, চিৰ চেয়াৰম্যান। গতিকে তেখেতৰ ইচ্ছা অনুযায়ী তদন্ত কৰা হব।

**Shri Binai Khungur Basumatary :** Sir, the Question No.2 is disallowed. The question has been very simple. There are many cooperative societies which have established rice mills without licence. I am asking this question. But I have been informed by a letter from the Assembly

---

* Speech not corrected

Sectt. that this question has been disallowed. On what ground, under what rules this question has been disallowed? I want to know. It pertains to Rule 37 and Rule 30. So I want to know how this 'word, disallowed' has been used and under what rule. Is it in complicity with the Govt to cover up the la-pses of the Govt? I want to know.

**Mr. Speaker :** It is not the question of complicity. This question relates to Supply Deptt. and the questions of Supply Deptt. are set on Thursday only. I think there is no wrong.

**Shri Binai Khungur Basumatary :** Sir, these rice mills have been established by the Cooperation Deptt. and not by Supply Deptt. and these mills are established without lience from the Supply Deptt. How these rice mills can be established without permission from the licencing authority.

**Mr. Speaker :** This relates to Supply Deptt.

**Shri Binai Khungur Basumatary :** Sir, these mills are established by the Cooperation Deptt. So let the Cooperation Minister say on this.

* **Shri Zoii Nath Sarma(Minister, Parliamentary Affairs) :** Mr. Speaker Sir, this relates to Liencing Deptt. Liencing authority is not the Cooperation Minister. So it is rightly disallowed.

**Shri Binai Khungur Basumatary :** How this question can be disallowed without following Govt rules. It is not the matter of Supply Deptt.

* **শ্ৰীজয়নাথ শৰ্মা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** প্ৰশ্ন (বি) ৩ লাইচেন্স অথোৰিটিৰ বিষয়ে প্ৰশ্ন কৰা হৈছে কিন্তু লাইচেন্স অথোৰিটি সমবায় বিভাগ নহয়, যোগান বিভাগহে সেয়ে প্ৰশ্নটো দিচএলাও কৰা হৈছে।

**Shri Charan Narzary :** Mr. Speaker Sir, after the question has come in print, how can it be disallowed. what is the rule. If the question is to be disallowed, it should have been disallowed before it is set in the print. This is not the rule. The question has already been admitted and printed. So this cannot be disallowed.

**Mr. Speaker :** I am telling. After the Sectt. has accepted the question the

---

* Speech not corrected

question is in order. It is accepted and it is sent to the relevant Deptt. that is Cooperation Deptt. But we have received a letter from the Cooperation Deptt. that the question relates to Supply Deptt. So this question has been set for Thursday.

* **Shri Golok Chandra Rajbongshi :** Sir, one part of the question relates to Cooperation Deptt and the other part relates to Supply Deptt. The Cooperation Deptt cannot avoid the first part, as to whether the mills have been established without lience by the Cooperation Deptt. They are working under one and the same Govt.

* **শ্রীজয়নাথ শৰ্ম্মা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** ছাৰ, এনেধৰনে আগতেও প্ৰশ্ন দিচএলাও কৰা হৈছে এতিয়া কৰাত কি আপত্তি আছে।

**Mr. Speaker :** Order, Order, Minister for Cooperation Deptt. will say on this.

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ** ছাৰ, লাইচেন্স সাধাৰণতে যোগান বিভাগৰ পৰা দিয়ে। সমবায় বিভাগৰ এই মিলটো যদি লাইচেন্স নোহোৱাকৈ চলি আছে সেইটো সমবায় বিভাগে পৰীক্ষা কৰি চাব পাৰে।

* **Shri Binai Khungur Basumatary :** Will the Govt Institute an enquiry into this as there are so many mills where money has been spent without authority and running mills illegally. I demand an enquiry.

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অনুসন্ধান কৰাত কোনো অসুবিধা নাই।

## QUESTIONS AND ANSWERS

**Mr. Speaker :** Now starred Question No. 3. Hon'ble Member Shri Gopinath Das, Hon'ble Minister of state, Health is to reply.

**বিষয় ঃ টুপামাৰীত PHC স্থাপন।**

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

* ৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত টুপামাৰিত চৰকাৰে এটা PHC স্থাপন কৰাৰ বাবে PWD ৰ পৰা Plan & Estimate সংগ্ৰহ কৰা কথাটো সঁচানে?

(খ) যদি সঁচা তেন্তে উক্ত PHC টো স্থাপন কৰাৰ বাবে প্ৰশাসনীয় অনুমোদন (administrative approval) দিয়া হৈছেনে?

---
* Speech not corrected

(গ) যদি হোৱা নাই, তেন্তে চৰকাৰে অতি সোনকালে প্ৰশাসনীয় অনুমোদন দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) নাই হোৱা।

(গ) পুঁজী সাপেক্ষে সময়ত ব্যৱস্থা লোৱা হ'ব।

* শ্ৰীগোপীনাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ পৰা কেতিয়া প্ৰাককলন পাইছে মন্ত্ৰী মহোদয়ে জনাবনে?

* ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, টুপামাৰীত পি এইচ ই স্থাপনৰ সম্পৰ্কিত গড়কাপ্তানী বিভাগৰ পৰা আমাৰ বিভাগে প্ৰাককলন পাইছে আৰু প্ৰয়োজনীয় নথি পত্ৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগলৈ পঠোৱা হৈছে আৰু সেই বিভাগে বিচাৰ বিবেচনা কৰি আছে।

* শ্ৰীগোপীনাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নথি পত্ৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগলৈ পঠোৱা হৈছে বুলি কৈছে। মই জানিব বিচাৰিছো যে ইয়াৰ প্ৰশাসনীয় মঞ্জুৰি দিয়াৰ ব্যৱস্থা কৰিবনে?

ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ পুঁজি সাপেক্ষে ব্যৱস্থা কৰা হ'ব।

**Mr. Speaker :** Now Starred Question No.4. Hon'ble Member Dr. Ardhendu Kumar Dey. Hon'ble Minister, Panchayat is to reply.

**Re : Panchayat Election.**

Dr. Ardhendu Kumar Dey asked :

* 4. Will the Minister, Panchayat and Rural Dev. be pleased to state :

(a) Whether it is a fact that Government is going to hold Panchayat Election in Assam very Shortly?

(b) If so, when the election is going to be held?

(c) The expenditure likely to be incurred in holding the Panchayat Election?

**Shri Ganesh Kutum (Minister of Panchayat and Rural Dev. Deptt.) replied:**

(a) & (b) Government have decided to hold Panchayat Raj Election in the month of November, 1990.

(c) The expenditure likely to be incurred in holding the Panchayat Elections is being worked out in consultation with the Finance Department.

* Speech not corrected

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অহা নবেম্বৰ মাহত নিৰ্বাচন পতা হ'ব বুলি কৈছে। মই জানিব বিচাৰিছো যে এই পঞ্চায়ত নিৰ্বাচনটো কোন বছৰৰ জনসংখ্যাৰ ভিত্তিত পতাৰ ব্যৱস্থা কৰা হৈছে।

* শ্ৰীগনেশ কুটুম (মন্ত্ৰী পঞ্চায়ত) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত এই নিৰ্বাচন পতাৰ ব্যৱস্থা কৰা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো ব্যৱস্থা কৰা হৈছে তাত দুটা কথা হৈছে —

(১) তাত যি বিলাক গাইড লাইন দিয়া আছে তাত কেতিয়াও লিখা নাই যে ১৯৭১ চনৰ লোক পিয়লৰ ভিত্তিতে পঞ্চায়ত নিৰ্বাচন পাতিব লাগিব।

(২) আৰু সেই মতে পঞ্চায়তৰ নিৰ্বাচন পাতিবলৈ গলে আমাৰ অসমখন আৰু পিচ পৰি যাব তাত যিটো জনসংখ্যা দেখুৱা হৈছে সেই মতে ভাৰত চৰকাৰে টকা দিবলৈ হলে আমাৰ অসম কেতিয়াও আগবাঢ়ি যাব নোৱাৰিব। কেন্দ্ৰই যি টকা দিব তাৰে শতকৰা ৫০ ভাগহে উন্নয়নৰ কাম হ'ব। অনান্য ৰাজ্য যিমান আগবাঢ়ি যাব আমাৰ ৰাজ্য সিমান পিচ পৰি যাব। গতিকে এইটোৰ মন্ত্ৰী মহোদয়ে কি উত্তৰ দিব?

* শ্ৰীগনেশ কুটুম (মন্ত্ৰী, পঞ্চায়ত) ঃ অৱশ্যে লোকপিয়লৰ লগত পঞ্চায়ত নিৰ্বাচনৰ পোনপটীয়া সম্পৰ্ক নাই। আমাৰ ৰাজ্যৰ শেহতীয়া যি লোকপিয়ল হ'ল তাৰ ভিত্তিত আৰু, পবিত্ৰ সদনত যি পঞ্চায়তী ৰাজ আইন পাচ কৰা হ'ল তাৰ সেই আইন মতে, আৰু তাত যি বিলাক নিৰ্দিষ্ট নিৰ্দেশাৱলী আছে তাৰ ভিত্তিতে নিৰ্বাচন পাতিবলৈ লোৱা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, মহকুমাধিপতি আৰু উপায়ুক্ত সকলক ১৯৭১ চনৰ লোক পিয়লৰ ভিত্তিত কাম কৰিবলৈ দিয়া হৈছে। কিন্তু কিছুমান গাওঁ ১৯৭১ চনত হোৱাই নাছিল। আৰু কিছুমানত যত ৬/৭ হাজাৰ জনসংখ্যা দেখুৱা হৈছে সেই বিলাকত এতিয়া হয়তো ১২/১৩ হাজাৰ জনসংখ্যা হ'ল। গতিকে এতিয়া যদি ৬/৭ হাজাৰ জনসংখ্যা ধৰি নিৰ্বাচন পতা হয় তেনেহলে বাকী ৬/৭ হাজাৰ জনসংখ্যা বাদ পৰি ৰ'ব। আমাৰ উন্নয়ন মূলক কাম শতকৰা ৫০ ভাগহে হ'ব। গতিকে এইবোৰ কি ব্যৱস্থা কৰিব সেই কথা সদনত জনাব লাগে।

* শ্ৰীগনেশ কুটুম (মন্ত্ৰী, পঞ্চায়ত) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনত অসম বিধান সভাত পঞ্চায়ত আইন গ্ৰহন কৰাৰ পিচত চৰকাৰৰ তৰফৰ পৰা জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক আৰু স্থানীয় নেতা সকললৈ কিছুমান নিৰ্দেশ জাৰি কৰিছিল। সেই মতে একোটা পঞ্চায়ত এলেকাত ৬/৭ হাজাৰ জনসংখ্যা হ'ব লাগে। আমাৰ ৰাজ্যৰ শেহতীয়া লোকপিয়ল ১৯৭১ চনত হৈছিল। তাৰ ওপৰত ভিত্তি কৰি আৰু পঞ্চায়ত আইনত যিবিলাক গাইড লাইন আছে সেই বিলাককো সামৰি ১৯৮৬ চনৰে পৰাই পঞ্চায়তৰ কাম চলাই থকা হৈছে। আমি এই সকলো বিলাক দিশ সামৰি লৈহে পঞ্চায়তৰ নিৰ্বাচন পাতিবলৈ ওলাইছো।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ ইয়াৰ পিচত প্ৰশ্ন, নং ৫

**Re : Orang Primary Health Centre**

Shri Silvius Condpan asked :

* 5. Will the Minister, Health & F.W. be pleased to state :

(a) Whether Government is proposing to replace the 45 years old Orang Primary Health Centre building with a new one?

(b) Whether Government is aware that as per announcement made by the former Hon. Minister on the floor of the Assembly, the Orang Primary Health Centre has been up-graded to 30 bedded Hospital and the Pauripota State Dispensary has been up-graded to Primary Health Centre?

(c) If so, what steps have so far been taken to enable the said 30 bedded Hospital and the Primary Health Centre to function as upgraded?

(d) Whether Government is providing an Ambulance for Orang 30 bedded Hospital to replace the unserviceable ambulance damaged by accident two years ago?

**Dr. Kamala Kanta Kalita (Minister of State, Health & F.W.) replied :**

(a) Govt. have decided to establish a 30 bedded Hospital at Orang. The site is to be selected by Chief Medical & Health Officer in consultation with local authorities.

(b) It has only been decided to establish a 30 bedded Hospital at Orang and to up-grade. Powripota State Dispensary to a PHC. The decision is yet to be implemented.

(c) Plan & estimates have been called for from PWD which is yet to be received.

(d) Not at present.

**Shri Silvius Condpan :** Sir, I have been able to follow the reply.

**Mr. Speaker :** Please repeat your reply. .

(Then the Hon. Minister, Health repeated the Cyclostyled reply)

*** Shri Silvius Condpan :** Sir, as against question (b) the Hon'ble Minister has said that it is yet to be implemented. What is the reason for not implementing and when it will be implemented?

**Dr. Kamala Kanta Kalita(Minister of State) :** Sir, I have already said that the plan and estimate of Orang Hospital and Powripota PHC have been called from PWD and are yet to be received.

**Mr. Speaker :** Now Hon'ble Member Shri Abdul Jabbar. Hon'ble Minister Panchayat is to reply.

**Re : Records of N.R.E.P. & R.L.E.G.P.**

Shri Abdul Jabbar asked :

* 6. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) Whether it is a fact that the Chief Minister's Vigilence Cell seized some of the records of N.R.E.P. and R.L.E.G.P. Scheme of Dalgaon-Sialmari Development Block?

(b) If so, when?

(c) Whether the inquiry by the said Cell has been completed?

(d) If so, what are the findings of the inquiry?

**Shri Ganesh Kutum (Minister, Panchayat & Rural Development) replied :**

Information from District has not yet been received.

Information being collected.

*** শ্ৰীআব্দুল জব্বৰ ঃ** অধ্যক্ষ মহোদয়, এইটো দুখ লগা কথা। ১৯৮৭ চনতে মুখ্য মন্ত্ৰীৰ তদন্ত শাখালৈ পঠিওৱা হৈছিল কিন্তু এতিয়াও বিভাগীয় মন্ত্ৰীয়ে কৈছে যে ইনফৰমেশ্বন কালেক্ট কৰিয়েই আছে। কালেক্ট কৰিবলগীয়া আছেই এতিয়াও। এন-আৰ-ই-পি আৰু আই-আৰ-ডি-পিৰ ১৯৮৪ চনৰেই আঁচনিৰ ক্ষেত্ৰত এই কথা তোলা হৈছিল কিন্তু এতিয়াও পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে আনিব নোৱাৰাটো দুখ লগা। সোনকালে মুখ্য মন্ত্ৰী মহোদয়ৰ ওচৰত পঞ্চায়ত মন্ত্ৰী মহোদয়ে অনুৰোধ ৰাখিবনে এইটো ব্যৱস্থা লবলৈ।

**শ্ৰীগনেশ কুটুম (পঞ্চায়ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই কথাটো ব্যক্তিগত ভাবে কিছু জানো কিন্তু তেখেতৰ প্ৰশ্নটোৰ উত্তৰ দিবলৈ আটাইখিনি তথ্য পাতি আজিলৈকে সংগ্ৰহ কৰিব পৰা হোৱা নাই। অতি সোনকালে এইখিনি দিয়াৰ চেষ্টা কৰিম।

---

* Speech not corrected

(Starred Question No.7 could not be taken up as the Hon'ble Questioner was not present in the House. However the same deemed to have been disposed of)

**Re : S.N.P. food staff.**

Shri Abdul Muqtadir Choudhury asked :

* 7. Will the Minister, Social Welfare be pleased to state :

(a) Whether it is a fact that the S.N.P. food staff of South Karimganj I.C.D.S. Block (under Karimganj District) for 2nd and 3rd quarter of 1990 have been sold out by the carrying contractors after getting delivery from the STATFED?

(b) If so, the action taken so far by the Government in this regard?

**Smti. Rekha Rani Das Boro(Minister, Social Welfare) replied :**

(a) & (b) Required information are being collected and these will be furnished on receipt of the same.

(Starred Question Nos 8 and 9 were not put)

**Mr. Speaker :** Next, Shri Monilal Gowala.

*** Shri Golok Rajbangshi :** Sir, the next Question is in my name. Question No. 8.

* শ্ৰীদ্বিপেন তাঁতী (বাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত সম্পূৰ্ণ তথ্যপাতি আহি পোৱা নাই। আহি পালেই জনাব পৰা হব।

*** Shri Golok Rajbangshi :** Sir, it is a serious Question. We put Questions with the expectation that answers could be given. How can the Minister say that the answer has not been received. So what is the protection? Sir, I want protection, if it is not available why a fixed date for reply is given?

**Shri Charan Narzary :** Sir, this is very unfortunate.

**Shri Hemen Das :** It deserves condemnation.

শ্ৰীদ্বিপেন তাঁতী (বাজ্যিক মন্ত্ৰী) ঃ এই বিধান সভাতে দিয়া হব।

*** Shri Golok Rajbangshi :** Mr. Speaker Sir, there is no other date for this

---

* Speech not corrected

Question .............. Lakhs of rupees have been spent for litigation...

**Mr. Speaker :** Hon'ble Minister. When can you give the answer?

*** Shri Dipen Tanti (Minister of State) :** On the last day of the session.

(Starred Question No.9 was not called by Hon'ble Speaker)

(Starred Question No.10 could not be taken up as the Hon'ble Questioner was not present in the House. However, the same deemed to have been disposed of)

**Re : Gaon Panchayat Election.**

Shri Manilal Gowala asked :

* 10. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) Whether it is a fact that the Gaon Panchayats election would be held in the month of November, 1990?

(b) If so, whether the electoral rolls are finalised for the purpose of holding the Panchayat election?

**Shri Ganesh Kutum (Minister Panchayat & R.D) replied :**

(a) Yes

(b) Being finalised

**Mr. Speaker :** Now starred Question No.11. Hon'ble Member Shri Sahidul Islam. Hon'ble Minister of State, Health and F.W, is to reply.

**বিষয় ঃ গ্রাম্য চিকিৎসালয়ৰ সংখ্যা।**

শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ

* ১১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জনাবনে ঃ

(ক) অঃ গঃ পঃ চৰকাৰৰ দিনত ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয় কিমানখন স্থাপন কৰা হৈছে?

(খ) বৰ্ত্তমানে এনে চিকিৎসালয় কিমানখন উদ্বোধন কৰা হৈছে?

(গ) মৈৰাবাৰীৰ ত্ৰিশখন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় কেতিয়া উদ্বোধন কৰা হ'ব?

ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৩৩ খন।

(খ) ১৫ খন।

(গ) নিৰ্ম্মান কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পাছত।

* Speech not corrected

* শ্ৰীশ্বহীদুল ইছ্লাম ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে নিৰ্ম্মাণ কাৰ্য্য প্ৰায় শেষ হৈছে। আমাৰ মন্ত্ৰী মহোদয়ে তেখেতৰ ৰাজত্বতে উদ্বোধন কৰিবলৈ যাবনে, জনাবনে?

* ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়াও সম্পূৰ্ণ হোৱা নাই। শতকৰা আশী ভাগ কামহে হৈছে বাকীখিনি যিমান সোনকালে হয় মুকলি কৰাৰ ব্যৱস্থা কৰা হব।

বিষয় ঃ নকাছাৰিত হাস্পাতাল।

শ্ৰীনৰেন তাঁতিয়ে সুধিছে ঃ

* ১২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

মৰিয়নি সমষ্টিৰ নকাছাৰিত প্ৰস্তাবিত ৩০ খন বিচনাযুক্ত হাস্পাতালৰ কাম কেতিয়াকৈ আৰম্ভ হ'ব?

ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

নকাছাৰিত প্ৰস্তাবিত হাস্পাতালৰ বাবে মুঠ ১৬,৩৩,৪০০/- টকাৰ প্ৰাক্কলন পোৱা হৈছে। পুজিৰ নাটনিৰ কাৰনে এতিয়ালৈকে প্ৰশাসনীয় অনুমোদন দিব পৰা নাই। প্ৰশাসনীয় অনুমোদন দিয়াৰ পিচত পুজি সাপেক্ষে কাম আৰম্ভ কৰা হব।

(পৰিপুৰক প্ৰশ্ন নাই)

(Starred Question No. 13 could not be taken up as the Hon'ble Questioner was not present in the House. However the same deemed to have been disposed of)

**Re : Resolution of B.L.C.C. members.**

Shri Abdul Rob Laskar asked :

* 13. Will the Minister, Rural Development be pleased to state :

(a) Whether the Government is aware that an unanimous resolution was adopted by the members of B.L.C.C., Sonai Development Block in its meeting dated 7th August to call a meeting on 22-08-90 and submit the report relating to the works of last two years of the said block?

(b) If so, whether the meeting was convened.

(c) If not, whether the members were informed about the same?

(d) If not the reasons thereof?

**Shri Ganesh Kutum (Minister of Panchayat & Rural Dev.) replied.**

(a) Yes

* Speech not corrected

(b) No, it could not be convened.

(c) B.L.C.C. meetings are held with prior notice to the members. As the meeting could not be convened the members were not intimated on the following grounds.

(a) The State Govt. Employees were on strike from 09-08-90 to 13-09-90.

(b) He was incharge of flood duties as Zonal Officer from 14-08-90 to 27-08-90.

(c) As Per Governing Body decision held on 10-08-90 the Senior B.D.O. has to prepare a feasibility list of JRY schemes to be submitted by 25-08-90.

**Mr. Speaker :** Now Starred Question No. 14. Hon'ble member Shri Ratneswar Sarkar. Hon'ble Minister Co-operation is to reply.

**বিষয় ঃ কৃষি ঋণ।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

* ১৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৃষি ঋণ ১০ হেজাৰ টকালৈকে ৰেহাই দিয়া কথাটো সঁচানে?

(খ) যদি সঁচা, তেন্তে ইয়াক কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হব?

**শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (সমবায় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা ইতিমধ্যে হাতত লোৱা হৈছে।

* **শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ** অধ্যক্ষ মহোদয়, দহ হাজাৰলৈকে টকাৰ ঋণ ৰেহাই দিয়াৰ যিটো ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰিছিল সেইটো কৃষি ঋণ ডি-আৰ-ডি এৰ পৰা লোৱা।

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (সমবায় মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে দহ হাজাৰ টকালৈকে কৃষি ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা লোৱা হৈছে আৰু ইতিমধ্যে ২-১০-৮৯ তাৰিখৰপৰা যি সকলে একাদিক্ৰমে ঋণ পৰিশোধ কৰিব পৰা নাই আৰু যি সকল খেতিয়কে দুটা বেয়া খেতিৰ বছৰৰ বাবে ঋণ পৰিশোধ কৰিবলৈ অপাৰগ হৈছে তেনে বিধৰ খেতিয়কসকলৰ ক্ষেত্ৰতহে এই আঁচনিৰ প্ৰযোজ্য হব। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ লগত সংগতি ৰাখি কৃষি ধনৰ উপৰিও গাৱঁলীয়া বাঢ়ৈ, খনিকৰ, শিপিনী আদি কাৰিগৰসকলে বেংকৰ পৰা লোৱা ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

* **শ্ৰীমুক্তাৰ হুচেইন ঃ** অধ্যক্ষ মহোদয়, উদাহৰণ স্বৰূপে কব বিচাৰিছো যে আই-আৰ-ডি-পিৰ পৰা

---

* Speech not corrected

এজন মানুহে হালৰ গৰু ঋণ দহ হাজাৰ বা তাৰ তলত লৈছে সেইটো ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা(সমবায় মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ডি-আৰ-ডি-এৰ পৰা লোৱা খেতিৰ কথাটো প্ৰশ্নটোত জনা হোৱা নাছিল। বেংকৰ পৰা লৈছে নে ডি-আৰ-ডি-এৰ পৰা লৈছে সেইটো কথা ইয়াত অহা নাই।

* **শ্ৰীহেমেন দাস ঃ** অধ্যক্ষ মহোদয়, যাৰ দুটা ফচল নষ্ট হৈছে তেওঁলোকক মাফ দিয়া হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে দুটা চৰ্ত্তৰ এটা উঠাই দিছে। আমাৰ ইয়াতো যিহেতু সঘনাই বানপানী হৈ থকা কথা সকলোৰে জানে মন্ত্ৰী মহোদয়েও জানে এই দুই বছৰৰ চৰ্ত্তটো উঠাই দিয়াব নোৱাৰেনে?

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (সমবায় মন্ত্ৰী) ঃ** বিষয়টো মন্ত্ৰী সভাত আলোচনা কৰিম।

* **শ্ৰীহেমেন দাস ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিজে জানে যে অসমত প্ৰতি বছৰে বানপানী হয় এইটো জানি পোনপটীয়াকৈ উঠাই দিয়াৰ ব্যৱস্থা লবনে কিয়নো চাৰ্টিফিকেট আদি সংগ্ৰহ কৰিবলৈ সময় আৰু পইচাৰ খৰচৰ প্ৰয়োজন হয়। গতিকে চৰ্ত্ত উঠাই দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰীদ্বিগেন চন্দ্ৰ বৰা (সমবায় মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অসম চৰকাৰে ইতিপূৰ্ব্বে ঘোষণা কৰা সিদ্ধান্ত অনুযায়ী দহ হেজাৰ টকালৈকে কৃষি ঋণ ৰেহাই দিয়াৰ উদ্দেশ্যে অসম কৃষি আৰু গ্ৰাম্য ঋণ ৰেহাই আঁচনি ১৯৯০ গ্ৰহণ কৰিছে আৰু ইয়াৰ ৰূপায়ণৰ কাৰ্য্য ব্যৱস্থা হাতত লৈছে। অধ্যক্ষ মহোদয়, মই জানো, আপুনি জানে সকলোৱে জানে কিন্তু মই চৰকাৰৰ কথা কব নোৱাৰো। মন্ত্ৰী সভাত আলোচনা কৰিহে কব পাৰিম।

**Mr. Speaker :** Now Starred Question No.15 Hon'ble member Shri Binai Khungur Basumatary. Hon'ble Minister, Panchayat is to reply.

**Re : Destruction of bunds and roads.**

Shri Binai Khungur Basumatary asked :

*15. Will the Minister, Rural Development be pleased to state :

(a) Whether the Government is aware of the total destruction of the D.R.D.A, projects like bunds and roads within Udalguri Legislative Assembly Constituency during the flash floods in August, 1990?

(b) If so, whether the Udalguri B.L.C.C, has been repeatedly approaching the D.R.D.A. for boulders to protect these works?

(c) Who is responsible for the neglect of Government property and works in this case and whether such responsible authorities will be punished?

**Shri Ganesh Kutum (Minister, Rural Development) replied :**

(a) No such informations received.

* Speech not corrected

(b) Udalguri BLCC has not approached DRDA Darrang.

(c) Does not arise.

* **Shri Binai Khungur Basumatary :** Sir, I am very sorry to hear the reply of the Hon'ble Minister. I met him personally when the Director, DRDA and other officers were present. I told him and the Director, DRDA that bunds and roads undertaken under DRDA Project were washed away because of lack of protective works. He says that he has not received any such information. My Question is whether the Hon'ble Minister will admit that I raised this matter when I met him last or not.

* **Shri Ganesh Kutum (Minister) :** Hon'ble Speaker, Sir, I will look into the matter.

* **Shri Binai Khungur Basumatary :** Sir, my Question is very simple. He has not answered to my Question. My Question is whether he will agree that I raised this matter officially when I met him a few days back.

* **Shri Ganesh Kutum (Minister) :** Hon'ble Speaker, Sir, so far as I remember he mentioned to me about these problems during the discussion held recently with him and, thereafter, I think, Puja Holidays have started. I have already instructed the Depertment to go into the matter and put up to me.

**Dr. Ardhendu Kumar Dey :** Sir, it is a lame excuse which he is seeking by raising the Question of Puja vacation. No other Ministers have raised the Question of Puja vacation.

* **Shri Ganesh Kutum (Minister) :** Sir, information will have to be collected from farflung areas. If the information are received officially it will be easy to give the reply.

* **Shri Binai Khungur Basumatary :** Sir, will the Hon'ble Minister review these works and assess the damages caused by floods last month?

* **Shri Ganesh Kutum (Minister) :** Mr. Speaker, Sir, it will do the needful.

**Mr. Speaker :** Now Starred Question No.16. Hon'ble Member Shri Gopinath Das. Hon'ble Minister of State Health is to reply.

---

* Speech not corrected

**বিষয় ঃ স্বাস্থ্য উপ-কেন্দ্ৰ।**

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

* ১৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো সমষ্টিত মুঠ কিমানটা স্বাস্থ্য উপ-কেন্দ্ৰ আছে আৰু সেইবোৰৰ নাম কি কি? (নামবোৰ জনাব)

(খ) উক্ত স্বাস্থ্য উপ-কেন্দ্ৰবোৰৰ ভিতৰত কিমানটা বৰ্তমান কাৰ্য্যকৰী অৱস্থাত আছে নামেৰে সৈতে জনাব?

(গ) এতিয়ালৈকে কাৰ্য্যকৰী নোহোৱা স্বাস্থ্য উপ-কেন্দ্ৰবোৰ অতি সোনকালে কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লবনে?

**ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৩১ টা (নামবোৰ গাঠি দিয়া হ'ল)

(খ) ১৫ টা (নামবোৰ গাঠি দিয়া হ'ল)

(গ) কাৰ্য্যকৰী কৰিবলৈ বিহিত ব্যৱস্থা লোৱা হৈছে। **(See annexure I)**

* **শ্ৰীগোপীনাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ৩১ টা উপ-স্বাস্থ্য কেন্দ্ৰৰ কথা কৈছে। কিন্তু আমি জনাত বকো সমষ্টিত কিমান স্বাস্থ্য কেন্দ্ৰ আছে সেই বিষয়ে বিষয়াই ভুল তথ্য দিছে। প্ৰশ্নটোত যিখিনি কথা আছে সেই গোটেইখিনি পৰীক্ষা কৰি মন্ত্ৰীমহোদয়ে ব্যৱস্থা লব নেকি।

* **ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোত কি ভুল আছে মই ধৰিব পৰা নাই। বকো সমষ্টিত মুঠ ৩১টা উপ-স্বাস্থ্য কেন্দ্ৰ থকাৰ কথা কৈছো।

* **শ্ৰীগোপীনাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি উপ-স্বাস্থ্য কেন্দ্ৰৰ কথা কৈছে মন্ত্ৰী মহোদয়ে সেইটো বকো উন্নয়ন খণ্ডৰ কথাহে কৈছো। চমৰীয়া উন্নয়ন খণ্ড বাদ দিছে। কিন্তু গোটেই কিমান আছে কিমান কাৰ্য্যকৰী কৰা হৈছে সেইটো অনুসন্ধান কৰি ব্যৱস্থা লব নেকি।

* **ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি চমৰীয়া উন্নয়ন খণ্ডৰ উপ-স্থাপন কেন্দ্ৰ বাদ পৰিছে সেইটো চোৱা হব আৰু এই সম্পৰ্কে ব্যৱস্থা লোৱা হব।

**Mr. Speaker :** Now Starred Question No. 17.

**Re : D. Pharma Institute.**

Dr. Ardhendu Kumar Dey asked :

* 17. Will the Minister, Health be pleased to state :

(a) Whether Government is aware about the present situation prevailing in the D.Pharms Institute in Silchar Medical College?

(b) If so, what measure Government has taken to solve the problems of the Institutions?

---

* Speech not corrected

**Dr. Kamala kt. Kalita (Minister of State for Health & F.W.) replied :**

(a) Yes.

(b) Government has taken necessary steps to solve the problems.

* **Dr. Ardhendu Kumar Dey :** Mr. Speaker, Sir, will the Hon'ble Minister reply if he has any knowledge about the present situation of the Institute. He has replied that necessary steps are going to be taken to solve the problems. Will the Hon'ble Minister let me know what is the present situation in the Institute, what are the problems and how he is going to solve these problems.

* ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিলচৰৰ ফাৰমাচিকেল ইনষ্টিটিউটৰ যি বিলাক পদ থাকিব লাগে সেই পদ বিলাক মঞ্জুৰী নোহোৱাৰ কাৰণে অসুবিধা হৈছে। ইতিমধ্যে আমি ডিব্ৰুগড় মেডিকেল কলেজ আৰু গুৱাহাটী ফাৰমাচিকেল ইনষ্টিটিউটৰ পৰা ডেপুটেচনত শিক্ষক নিয়োগ কৰা হৈছে। গতিকে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ কাৰণে যি সমস্যা হৈছে সেই সমস্যা সামৰিক ভাবে সমাধান কৰা হৈছে।

* **Dr. Ardhendu Kumar Dey :** Sir, this is an old answer which was given in the months of March and April last. A deputation of the students of D. Pharma Institute, Silchar met the Hon'ble Minister and the Director of Medical Education and other officials when the Hon'ble Minister assured that some teachers are going to be deputed from Assam Medical College Dibrugarh and Guwahati Medical College Hospital but not action whatsoever was taken. As a result, the second year students had to leave the Silchar Medical College and had to go to Assam Medical College. So far as I know, the Finance Department has not yet accorded sanction to the post already ear marked for the Silchar Medical College. The Hon'ble Minister assured me, Shri Abdul Rob Laskar and Shri Ramendra Dey in presence of the students that very soon the posts are going to be sanctioned but nothing has been done yet. My Questionis why the sanction could not be accorded by the Finance Department yet? Will the Hon'ble Minister reply to my Question?

* ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে তাত শিক্ষক নিযুক্তি দিয়া হৈছে যদিও তাত শিক্ষক দিয়া হোৱা নাই বুলি কৈছে। কিন্তু

* Speech not corrected

আমি ডেপুটেচনত শিক্ষক সামৰিক ভাৱে নিয়োগ কৰিছো আৰু পদবিলাক মঞ্জুৰীৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে বিত্ত বিভাগৰ পৰা ২-১ টা ক্লাৰিফিকেচন আহিছে গতিকে অতি সোনকালে পদ মঞ্জুৰী পাম বুলি আশা কৰিছো।

**Mr. Speaker :** Now Starred Question No. 18 Hon'ble Member Shri Silvius Condpan. Hon'ble Minister of State, WPT & BC is to reply.

**Re : Regarding Mandal Commission**

Shri Silvius Condpan asked :

* 18. Will the Minister WPT & BC be pleased to state :

(a) Whether the State Government will also implement the report on Mandal Commission in the matter of people belonging to O.B.C. and M.O.B.C. as per the State Government's list?

(b) If so, since, when?

**Shri Dipen Tanti (Minister of State for Welfare of Plain Tribes and Backward Classes, Assam) replied :**

(a) & (b) : After considering the report and recommendations of Mandal Commission in respect of the Other Backward Classes in the country, the Govt. of Assam have taken only the following specific decisions in 1984 regarding the Other Backward Classes according to the existing State Govt. list :

(a) Job reservation of 15% for the Other Backward Classes of the State of Assam in the matter of recruitment to jobs under the State Govt. and autonomous bodies under the control of the State Govt.

(b) Seat reservation of 15% in favour of OBC students for admission of Other Backward Classes students to technical institutions such as Engineering Colleges, Medical Colleges etc. under the control of the State Govt.

The above mentioned reservation quota are over and above what are available to the OBC on open merit.

The Govt. of Assam did not accept the recommendations of Mandal Commission regarding the list of Other Backward Classes prepared by Mandal Commission.

শ্ৰীজয়নাথ শৰ্ম্মা (মন্ত্ৰী) ঃ ছাৰ, এই গোটেই কথাটো এতিয়া চুপ্ৰিম ক'ৰ্টেষ্ট্ৰে কৰি ৰাখিছে।

**(Starred Question No.19 could not be taken up as the Hon'ble Questioner was not present in the House when called for. However, the same deemed to have been disposed of with replies thereto)**

**Re : Area of Gaon Panchayat.**

Shri Abdul Muqtadir Choudhury asked :

* 19. Will the Minister, Panchayat be pleased to state :

(a) Whether the delimitation of the area of new Gaon Panchayat have been notified inviting objections from the public, if any?

(b) If so, the time allowed for submitting such objection and when the hearing will be held for finalisation of the objection?

**Shri Ganesh Kutum (Minister, Panchayat and Rural Dev.) replied :**

(a) Delimitation of areas of Gaon Panchayats has been published by DCs/ SDOs in their respective administrative jurisdiction on October 1. 1990.

(b) There is no provision of maintaining time schedule for receipt of objections and hearing them in respect of delimitation of Gaon Panchayat in the Assam Panchayat Raf Act. 1986 and the Rules framed thereunder.

**Mr. Speaker : Now Starred Question No. 20. Hon'ble Member Shri Golak Rajbangshi. Hon'ble Minister of State, Health & F.W. is to reply.**

**বিষয় ঃ হস্পিতাল মঞ্জুৰী।**

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

* ২০। माननीय় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এইটো কথা সঁচানে যে যোৱা বিধান সভাত স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে ৰঙাপাৰা সমষ্টিত এখন ত্ৰিশখন বিচনাযুক্ত হস্পিতাল মঞ্জুৰ কৰা হৈছিল বুলি জনাইছিল?

(খ) পৰিপুৰক প্ৰশ্নৰ উত্তৰত সেই হস্পিতাল ছাৰদুৱাৰত স্থাপন কৰা হৈছে বুলিও কোৱাটো হয়নে?

(গ) যদি হয় ছাৰদুৱাৰত অঞ্চল ৰঙাপাৰা সমষ্টিৰ বাহিৰত বুলি প্ৰশ্নকৰ্ত্তাই সুধৰাই দিয়াত স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে এই বিষয়টো পৰীক্ষা কৰিব বুলি কোৱা কথাটো সঁচানে?

(ঘ) যদি সঁচা তেনেহলে এই বিষয়ে কিবা তদন্ত কৰা হ'ল নে আৰু যদি তদন্ত কৰা হৈছে তাৰ ফলাফল কি পালে?

**ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সঁচা।

(খ) হয়।

(গ) হয়, সঁচা।

(ঘ) অনুসন্ধান কৰি জনা গল যে ছাৰদুৱাৰ হস্পিতালখন আচলতে চতিয়া সমষ্টিত পৰে।

* **শ্ৰীগোলোক ৰাজবংশী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ৰঙাপাৰা সমষ্টিত যি ৩০ খন বিচনাযুক্ত হস্পিতেল মঞ্জুৰী কৰা হৈছিল সেই হস্পিতেলখন ছাৰদুৱাৰত কৰা হল। গতিকে ৰঙাপাৰা বাবে মঞ্জুৰী কৰা হস্পিতেল ক'ত আৰু কেতিয়া দিব?

* **ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিটো হস্পিতেল আমি ৰঙাপাৰাত হব বুলি ধাৰণা কৰিছিলো পিচত অনুসন্ধান কৰি দেখা গল যে সেইটো চতিয়া সমষ্টিতহে পৰে। গতিকে, ৰঙাপাৰাত পুজি সাপেক্ষে পিচত ব্যৱস্থা লোৱা হব।

* **শ্ৰীগোলোক ৰাজবংশী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ নৰমচ মতে ৩০ খন বিচনাযুক্ত হস্পিতেল আৰু পি, এইচ, চি কেনেকৈ পাতিব লাগে। আমি ধৰি লৈছো যে চৰকাৰে এই নৰমচ ভঙ্গ কৰি হস্পিতেল পাতিছে নেকি?

* **ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে নৰমচৰ ওপৰত ভিত্তি কৰিয়েই উপস্বাস্থ্য কেন্দ্ৰ, ৩০ খন বিচনাযুক্ত হস্পিতেল দিয়াৰ বাবে স্থান নিৰ্দ্ধাৰণ কৰা হৈছে। তাৰোপৰি অহা ২০০০ চনৰ লৈকে যি বিলাক ঠাইত হস্পিতেল হোৱা নাই সেই বিলাকত নৰমচ মতে হস্পিতেল কৰা হব।

* **শ্ৰীগোলোক ৰাজবংশী ঃ** অধ্যক্ষ মহোদয়, ৰহাৰ পৰা নগাওঁৰ লৈকে এই অঞ্চলটোত কেন্দ্ৰীয় চৰকাৰৰ নৰমচ মানি হস্পিতেল কৰি আছে নেকি?

* **ডাঃ কমলা কান্ত কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে যিবিলাক নীতি নিয়ম বান্ধি দিয়া হৈছে সেই বিলাকৰ মাজেদিহে আমি কাম কৰিছো।

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ স্বাস্থ্য কেন্দ্ৰ স্থাপন।**

শ্ৰীমকবুল হুচেইনে সুধিছে ঃ

১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ বালাৰ চৰত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে Plan & Estimate বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত হৈছেনে?

(খ) যদি হোৱা নাই তেন্তে কি অৱস্থাত আছে?

---

* Speech not corrected

ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ)

স্বাস্থ্য বিভাগে Plan & Estimate এতিয়ালৈকে পোৱা নাই। গতিকে বিভাগীয় কৰ্তৃপক্ষৰ অনুমোদনৰ প্ৰশ্নই নুঠে।

**বিষয় ঃ খণ্ড উন্নয়ন বিষয়াৰ নিযুক্তি।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৯-৯০ চনৰ ভিতৰত কিমানজনক খণ্ড উন্নয়ন বিষয়া হিচাবে অসম চৰকাৰে নিযুক্তি দিলে?

(খ) উক্ত নিযুক্তি পোৱা বিষয়া সকলৰ ভিতৰত, বিভাগীয় প্ৰমোচন পোৱা কিমানজন আছে?

**শ্ৰীগনেশ কুটুম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৯-৯০ চনৰ ভিতৰত চৰকাৰে ৪০ জন খণ্ড উন্নয়ন বিষয়াক পোনপটীয়া ভাবে নিযুক্তি দিছে।

(খ) উক্ত নিযুক্তি পোৱা বিষয়া সকলৰ ভিতৰত বিভাগীয় প্ৰমোচন পোৱা কোনো খণ্ড উন্নয়ন বিষয়া নাই।

**বিষয় ঃ তাৰাবাৰীলৈ এঃ এচঃ টিঃ চিঃৰ বাচ চলাচল।**

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনসাধাৰণৰ সুবিধাৰ বাবে গুৱাহাটীৰ পৰা বকো সমষ্টিৰ তাৰাবাৰীলৈ এঃ এচঃ টিঃ চিঃৰ বাচ এখন চলোৱাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিবনে?

(খ) যদি ব্যৱস্থা লোৱা হয়, তেন্তে কেতিয়া লব?

(গ) যদি ব্যৱস্থা লোৱা নহয় তেন্তে কিয় লোৱা নহব?

**শ্ৰীদ্বীপেন তাঁতী (পৰিবহন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান তাৰাবাৰীলৈ পৰিবহন নিগমৰ যাত্ৰীবাহী বাচ এখন চলোৱাৰ ব্যৱস্থা কৰিব পৰা নাযাব।

(খ) প্ৰশ্ন নুঠে।

(গ) বৰ্ত্তমান নিগমৰ বিত্তীয় অৱস্থা সুচল নোহোৱাৰ কাৰনে আৰু বকো তাৰাবাৰী পথচোৱা ৰাষ্ট্ৰীয়কৃত নোহোৱাৰ বাবে বৰ্ত্তমান পৰিবহন নিগমৰ যাত্ৰীবাহী বাচ তাৰাবাৰীলৈ চলোৱাৰ ব্যৱস্থা কৰিব পৰা নহব।

**Re : Cases of Jaundice.**

Dr. Ardhendu Kr. Dey asked :

4. Will the Minister, Health & F.W. Assam be pleased to state :

(a) The Number of Jaundice cases reported in the State during the year 1990?

(b) The number of persons succumbed to this disease?

(c) The causes of such out break of Jaundice in an epidecic form?

**Dr. Kamala Kanta Kalita (Minister of State, Health & F.W) replied :**

(a) 336

(b) 7

(c) Epidemiological investigation carried out by S.P.M. Deptt. of Guwahati Medical College on occurance of Jaundice in Epidemic form in Greater Guwahati areas, found leaking water supply pipes as suspected cause of Jaundice.

**Re. : AIDS.**

Dr. Ardhendu Kr. Dey asked :

5. Will the Minister, Health & F.W. Assam be pleased to state :

(a) Whether there is any incidence of A.I.D.S. in Aaasm?

(b) If so, what precautionary measures Government has adopted to Prevent the spread of such deseases in Assam (Details of Schemes may be furnished)

**Dr. Kamala Kanta Kalita (Minister of State, Health & F.W.) replied :**

(a) One AIDS case has been detected recently at Guwahati Medical College Hospital.

(b) Precautionary measures have been taken as per Annexure I.

**Re. : Proposal to Sanction A.S.T.C, Buses.**

Shri Monilal Gowala asked :

6. Will the Minister, Transport be pleased to state :

(a) Whether the Government is in receipt of any proposal to sanction A.S.T.C, Buses from (i) Silchar to Rangamati (ii) Silchar to Kalkalighat (Silchar Division) from the M.L.A. of the Patharkandi Constituency?

(b) If so, when would the proposal be materialised?

**Shri Dwipen Tanti (Minister of State, Transport) replied :**

(ক) হয়, স্থানীয় বিধায়কে সংমণ্ডল অধীক্ষকৰ ওচৰত এনে প্ৰস্তাৱ এটি দিছে।

(খ) শিলচৰ সংমণ্ডলত যাত্ৰীবাহী বাচৰ চলাচল সংখ্যাৰ স্থিতি উন্নতি হোৱাৰ লগে লগেই প্ৰথম পৰ্য্যায়ত উক্ত পথত নিগমৰ বাছ সেৱা প্ৰবৰ্ত্তন কৰাৰ বিষয়ে বিবেচনা কৰা হ'ব।

**বিষয় ঃ চেলেংহাট PHC ।**

শ্ৰীনৰেন তাঁতিয়ে সুধিছে ঃ

৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চেলেংহাট PHC খনৰ আধাৰশিলা স্থাপন হৈ যোৱাৰ কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, এই স্বাস্থ্য কেন্দ্ৰৰ কাম কেতিয়াকৈ আৰম্ভ হ'ব?

**ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জানে।

(খ) গৃহ নিৰ্ম্মানৰ বাবে নিবিদা (Tender) আহ্বান কৰা হৈছে।

**বিষয় ঃ মৰিয়নিৰ হস্পিতাল।**

শ্ৰীনৰেন তাঁতিয়ে সুধিছে ঃ

৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিয়নিৰ ৩০ খন বিচনাযুক্ত হস্পিতালৰ কাম কিমান দূৰ আগবাঢ়িছে?

(খ) কেতিয়াকে হস্পিতালখন মুকলি কৰা হ'ব?

(গ) উক্ত হস্পিতালৰ কাৰণে staff sanction এতিয়াই কৰা হৈছে নে?

**ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এতিয়ালৈকে প্ৰায় ৪৫ শতাংশ কাম হৈছে।

(খ) কাম সম্পূৰ্ণ হোৱাৰ পিছত মুকলি কৰা হ'ব।

(গ) হোৱা নাই।

**বিষয় ঃ মৰিয়নি সমষ্টিত PHC।**

শ্ৰীনৰেন তাঁতিয়ে সুধিছে ঃ

৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিয়নি সমষ্টিত কেইখন Primary Health Centre আছে?

(খ) কেইখন উপ-স্বাস্থ্য কেন্দ্ৰ আছে?

(গ) উক্ত সমষ্টিৰ PHC আৰু Health Sub-Center-ত নিৰিখ অনুসৰি Staff আছে নে?

ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২ (দুই) খন।

(খ) ১৬ খন।

(গ) PHC নাই। ছাৰচেন্টাৰত আছে।

**Re : Senior B. D. O. at Sonai.**

Shri Abdul Rob Laskar asked :

10. Will the Minister, Panchayat & Rural Development be pleased to state :

(a) Whether the Government is aware that there is no Senior B.D.O. at Sonai Development Block under Cachar District?

(b) If so since when?

(c) Whether it is a fact that the Hon'ble. Minister, Rural Development assured on the floor of the Assembly in the last Budget Session in course of his reply to out Motion on Rural Development for posting one Senior B.D.O. at Sonai Development Block immediately?

(d) If so whether the Government has fulfilled the assurance?

(e) If not why?

**Shri Ganesh Kutum (Minister, Panchayat & Rural Development) replied :**

(a) Yes.

(b) Since 10.8.88

(c) Yes.

(d) Not yet.

(e) Due to shortage of officer.

**Re : Binnakandi Block Development Office.**

Shri Abdul Rob Laskar asked :

11. Will the Minister, Panchayat and Rural Development be pleased to state :

(a) Whether it is a fact that there is a proposal to open one Block Development Office at Binnakandi within Silchar Subdivision?

(b) If so, what is the distance between (1) Lakhipur Development Office and proposed Binnakandi Development Block Office (2) between Sonai Development Block Office and Proposed Binnakandi Block?

**Shri Ganesh Kutum (Minister of Panchayat and Rural Development) replied :**

(a) Yes, A new Development Block has already been constituted at Binnakandi with head quarter at Binnakandi vide Govt. Notification No. PDB. 70/85/235 dt. 6.4.90.

(b) The site for Binnakandi Dev. Block Office has not yet decided. Therefore, distance between Lakhipur/Sonai Development Block Office and proposed Binnakandi Development Block Office can not be intimated now.

**Re : Panchayat Building at Hailakandi.**

Shri Dinesh Prasad Gowala asked :

12. Will the Minister, Panchayat be pleased to State :

(a) Whether it is a fact that the Panchayat building of Hailakandi Mohkuma Parisad was deimolished by D.C. Hailakandi of 24th March, 1990?

(b) If so, whether it is a fact that Secretary, Mohkuma Parishad has submitted a report to Govt. against the D.C.?

(c) If so, what action has been taken by the Govt.?

**Shri Ganesh Kutum (Minister, Panchayat & Rural Dev. Deptt.) replied:**

(a) Yes.

(b) Yes.

(c) The matter is under enquiry.

## ANNOUNCEMENT FROM THE CHAIR

**Mr. Speaker :** Now, it is the report of the Business Advisory Committee. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in my Office Chamber on 4th October, 1990, to

finalise the calendar for the October Session, 1990. The meeting decided that the current October Session will continue till 10th October, 1990. There will be 4 working days and all the days will be devoted for transaction of Government Business. Copies of the Calendar for the Session has already been circulated amongst all the Members of the Assembly.

I hope this has the approval of the House.

* **শ্ৰীগোলোক ৰাজবংশী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুমান বিক্ষোভকাৰীয়ে বিক্ষোভ প্ৰদৰ্শন কৰি গেটত বৈ আছে আশাকৰো মাননীয় মুখ্যমন্ত্ৰী মহোদয় বা অন্য মন্ত্ৰী গৈ আলোচনা কৰিলে ভাল হয়।

* **শ্ৰী জয়নাথ শৰ্ম্মা** ঃ অধ্যক্ষ মহোদয় এতিয়া জিঅ'ৰ আবাৰ শেষ হৈ গ'ল।

* **Shri Golok Rajbangshi** : Sir, I am only drawing the attention of the Government.

**মাননীয় অধ্যক্ষ** ঃ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৯(১) নং নিয়ম অনুসৰি মই ইয়াৰ দ্বাৰা নিম্ন উল্লেখিত সদস্য সকলক বিধান সভাৰ চলিত অক্টোবৰৰ অধিবেশনৰ সভাপতি সকলৰ নামসূচী গঠনৰ কাৰণে মনোনীত কৰিলো।

(১) শ্ৰীদীনবন্ধু চৌধুৰী

(২) শ্ৰীচৰণ নাৰ্জাৰী

(৩) শ্ৰীচিলভিউছ কন্দপান।

## LAYING OF ORDINANCES

**Mr. Speaker** : Now item No.3. Hon'ble Chief Minister.

**Shri Prafulla Kr. Mahanta (Chief Minister)** : Sir, I beg to lay 'The Assam Contingency Fund(Amendment) Ordinance 1990(Assam Ordinance No.II of 1990).

**Shri Golok Rajbangshi** : I submitted an adjournment motion.

I want to know about it.

**Mr. Speaker** : I am examining the matter. Now Hon'ble Minister, Parliamentary Affairs.

**Shri Zoii Nath Sarma (Minister)** : Sir, I beg to lay 'The Guwahati Municipal Corporation (Amendment) Ordinance, 1990 (Assam Ordinance No.III of 1990).

* Speech not corrected

**Mr. Speaker :** Now Hon'ble Minister of State, Handloom & Textile.

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ১৯৯০ চনৰ অসম খাদী আৰু গ্ৰামোদ্যোগ পৰিষদ (সংশোধন) অধ্যাদেশ (১৯৯০ চনৰ ৪ নং, অসম অধ্যাদেশ) খন দাখিল কৰিলো)

**Mr. Speaker :** Now, Hon'ble Minister Panchayat.

**Shri Ganesh Kutum (Minister, Panchayat) :** Sir, I beg to lay the Assam Panchayati Raj (Amendment) Ordinance 1990 (Assam Ordinance No.V of 1990).

## LAYING OF REPORTS

**Mr. Speaker :** Now Hon'ble Minister, Parliamentary Affairs.

**Shri Zoii Nath Sarma (Minister) :** Sir, I beg to lay the Report of the Comptroller and Auditor General of India for the year 1986-87(civil), Appropriation Accounts, 1986-87 and Finance Accounts 1986-87 relating to Government of Assam.

## PRESENTATION OF COMMITTEE REPORTS

**Mr. Speaker :** Now item No.8 Shri A.F.G. Osmani.

Shri A.F. Golam Osmani ... Sir, I beg to lay the 57th Report of the Committee on Public Accounts Assam Legislative Assembly Partaining to CAG Report 1981-82, 1982-83, 1983-84, 1984-85, 1985-86 and 1986-87.

**Mr. Speaker :** Now item No. 9 Shri Silvius Condpan.

**Shri Silvius Condpan :** Sir, I beg to present the 58th Report of the Committee on Public Accounts, Assam Legislative Assembly.

## PRESENTATION OF LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION.

**Mr. Speaker :** Now item No. 10, Hon'ble Chief Minister.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to present the list of supplementary Demands for Grants and Supplementary Appropriations for the year 1990-91.

## INTRODUCTION OF GOVERNMENT BILL

**Mr. Speaker :** Now item No. 11. Hon'ble Chief Minister.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg leave to introduce the Assam Finance (Sales Tax)(Amendment) Bill, 1990.

**Mr. Speaker :** Is it the pleasure of the House to grant I leave to introduce the Bill? (voices – yes, yes) (Leave is granted)

Here is a message from the Governor of Assam.

"Raj Bhawan September 24, 1990
Guwahati

"Under the provision of Article 207(1) of the Constitution of India, I, Devi Dass Thakur, Governor of Assam, racommend the introduction in the Assam Legislative Assembly of the Assam Finance (Sales Tax) (Amendment) Bill, 1990."

Sd/- D.D.Thakur
'Governor of Assam"

Now Hon'ble Chief Minister.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, on the recommendation of the Governor of Assam I beg to introduce the Assam Finance (Sales Tax) (Amendment) Bill, 1990.

(Secretary, ALA, read out the title of the Bill)

# OBITUARY REFERENCES

মাননীয় অধ্যক্ষ ঃ এতিয়া মই সদনৰ মজিয়াত গভীৰ দুখেৰে সৈতে তলত উল্লেখ কৰা মহান ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ থিয় হৈছো।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰনী মুক্তি যোদ্ধা প্ৰধান গান্ধীবাদী, বিশিষ্ট ৰাজনীতিবিদ আৰু অসমৰ প্ৰাক্তন মন্ত্ৰী মহেন্দ্ৰ নাথ হাজৰিকা দেৱৰ ১৯৯০ চনৰ ২৭ জুলাইত তেখেতৰ নগাৱঁৰ নিজ বাস ভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৮৬ বছৰ হৈছিল। প্ৰয়াত হাজৰিকা ১৯৯৪ চনত নগাওঁৰ ৰহাত জন্ম গ্ৰহন কৰে। এইজনা মহান নেতাই স্কুলীয়া জীৱন শেষ নকৰাকৈয়ে দেশপ্ৰেমৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন আন্দোলনত যোগদান দি ১৯২১, ১৯৩২-৩৩, ১৯৪১ চনত গ্ৰেপ্তাৰ বৰণ কৰে। নিখিল ভাৰত শিপিনী সংঘৰ তত্বাবধানত অসমৰ প্ৰথম নাৰী প্ৰতিষ্ঠান 'ৰহা শিপিনী সংঘ' প্ৰতিষ্ঠা কৰে। তেখেত্তে ১৯৫০-৫২ চনত লোক সভাৰ সদস্য আৰু ইয়াৰ পাছত ১৯৫২-৫৭ আৰু ১৯৬৭ চনত অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। এইজন মহান নেতাই উপমন্ত্ৰী, মন্ত্ৰী আৰু নাৰী আৰু গ্ৰামোন্নয়ন বোৰ্ডৰ সভাপতিৰূপে, নানা গধুৰ দায়িত্ব পালন কৰি সুনাম অৰ্জন কৰে। মৃত্যুৰ পাছত পত্নীকে ধৰি দুগৰাকী জীয়ৰী ইহ সংসাৰত এৰি যায়।

এইজনা মহান প্ৰধান সমাজ কাৰ্মীৰ মৃত্যুত অসমে এজন প্ৰতিশ্ৰুতি সম্পন্ন ৰাজনৈতিক, নেতাক হেৰুৱালে। অসমৰ প্ৰাক্তন মন্ত্ৰী, প্ৰদেশ কং(ই)ৰ প্ৰাক্তন সভাপতি শ্ৰীদেবেন্দ্ৰ নাথ তালুকদাৰৰ ২৮ জুলাইৰ ১৯৯০ চনত নিশা ৯.৩০ বজাত হৃদ ৰোগত আক্ৰান্ত হৈ নতুন দিল্লীৰ ৰামমোহন লোহিয়া হাস্পতালত ৫৭ বছৰ বয়সত মৃত্যু হয়।

চিলংৰ লেডীকীন কলেজৰ অধ্যাপক হিচাবে কৰ্ম্ম জীৱন আৰম্ভ কৰা শ্ৰীতালুকদাৰ ১৯৬২ চনত অসম বিধান সভালৈ নিৰ্বাচিত হয় আৰু সংসদী ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহন কৰে। ১৯৭২ চনৰ পৰা ১৯৭৬ চনলৈ তেখেতে অসম মন্ত্ৰী সভাৰ সদস্য আছিল। ১৯৮২-৮৩ চনত তেওঁ অসম প্ৰদেশ কংগ্ৰেছ(ই) কমিটিৰ সভাপতিৰ লগতে ১৯৭২ চনৰ পৰা তেখেতে নিখিল ভাৰত কংগ্ৰেছ(ই) কমিটিৰ সদস্য হিচাবে বাস কৰিছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি থৈ যায়।

এই নবীন নেতাজনৰ বিয়োগত অসমে এজন খ্যাতি সম্পন্ন ৰাজনৈতিক নেতা হেৰুৱালে। অসম বিধান সভাৰ প্ৰাক্তন সদস্য শ্ৰীথানু ৰাম গগৈৰ ১৯৯০ চনৰ ৯ জুন তাৰিখে নিজ বাস ভৱনত ৮৭ বছৰ বয়সত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। এখেতে ১৯৫২ চনত অসম বিধান সভালৈ নিৰ্বাচিত হয়। শিৱসাগৰ হাইস্কুলকে ধৰি নানান ধৰণৰ সমাজ সেৱাৰ কাম কৰে আৰু সদৌ অসম বৌদ্ধ সন্মিলনৰ সভাপতি হিচাবে দায়িত্ব পালন কৰে। জাপান, থাইলেণ্ড, হংকং ফৰমোছা আৰু বাৰ্মাকে ধৰি বহুত দেশ ভ্ৰমন কৰিছিল।

এইজনা প্ৰধান নেতাৰ বিয়োগত অসমৰ অপূৰণীয় ক্ষতি হ'ল।

প্ৰাক্তন বিধান সভাৰ সদস্য, সমাজ সেৱী আৰু মুক্তি যুজাৰু বাৰ্কে চন্দ্ৰ দলে ১৯৯০ চনৰ ১৯ জুন তাৰিখে ইহ লীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৮২ বছৰ হৈছিল। কিছুদিন ধৰি তেখেত ৰোগাগ্ৰস্ত হৈ আছিল। ১৯৩৭-৫১ আৰু ১৯৫২ চনত অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ উপৰিও তেখেতে বিধি সন্মিলন আৰু অসম জনজাতি সন্মিলনৰ ক্ৰমে সচিব আৰু সদস্য আছিল। মৃত্যুৰ সময়ত তেখেতে পত্নী সহ এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি থৈ যায়। এখেতৰ মৃত্যুত অসমে এজন প্ৰকৃত দেশ কৰ্মীক হেৰুৱালে।

মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, মিজো নেচনেল ফ্ৰন্টৰ সদস্য লাল ডেংগা ১৯৯০ চনৰ ৭ জুলাইত কৰ্কট ৰোগত আক্ৰান্ত হৈ পৰলোক প্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৬২ বছৰ হৈছিল। পত্নীসহ দুজন পুত্ৰ আৰু দুগৰাকী দুহিতা সংসাৰত এৰি থৈ যায়। এইজন প্ৰধান নেতাৰ মৃত্যুত মিজোৰাম আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক দিশত যথেষ্ট ক্ষতি সাধন হ'ল।

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰধান মুক্তি যোদ্ধা শ্ৰীৰাজ বাহাদুৰৰ ১৯৯০ চনৰ ২২ ছেপ্তেম্বৰত ৭৯ বছৰ বয়সত মৃত্যু বৰণ কৰে। ৰাজস্থানৰ ভৰতপুৰত ১৯১২ চনত জন্ম গ্ৰহন কৰা শ্ৰীৰাজ বাহাদুৰে ১৯৫১ চনৰ পৰা কেন্দ্ৰীয় মন্ত্ৰী আৰু নেপাল ভাৰতস্থ ৰাষ্ট্ৰদূত হিচাবে কাৰ্য্য নিৰ্বাহ কৰিছিল। শ্ৰীৰাজ বাহাদুৰৰ মৃত্যুত দেশে এগৰাকী প্ৰকৃত গান্ধীবাদী প্ৰধান সংসদ সদস্য আৰু সুদক্ষ প্ৰশাসকক হেৰুৱাব লগা হয়।

'আৰাম বাঘৰ গান্ধী' হিচবে জনপ্ৰিয় নেতা শ্ৰীপ্ৰফুল্ল চন্দ্ৰ সেনৰ জন্ম হয় বিহাৰৰ চাহাবাদত ১৮৮৭ চনত। তেখেতে পশ্চিম বংগৰ মূখ্য মন্ত্ৰী ৰূপে আসন অলংকৃত কৰিছিল। চিৰকুমাৰ শ্ৰীসেন এজন একনিষ্ঠ সমাজকৰ্মী নেতা আছিল। এইজনা মহান পুৰুষৰ যোৱা ২৫/৯/৯০ তাৰিখে ৰাতিপুৱা আঠ বাজি পোন্ধৰ মিনিটত ৯৪ বছৰ বয়সত মৃত্যু হয়।

এইজনা প্ৰধান সমাজকৰ্মীৰ বিয়োগত দেশৰ অপূৰণীয় ক্ষতি হ'ল।

স্বৰ্গীয় চাৰ চাদুল্লা আৰু গোপীনাথ বৰদলৈ মন্ত্ৰী সভাৰ সদস্য শ্ৰীঅক্ষয় কুমাৰ দাসৰ যোৱা ২৪ জুন ১৯৯০ চনত চিলেট জিলাৰ সোনাৰঞ্জত পৰলোক প্ৰাপ্তি হয়। এখেতৰ বয়স মৃত্যুৰ সময়ত ৯০ বছৰ হৈছিল। এখেতে স্বৰ্গীয় গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভাত চেপ্তেম্বৰ ১৯৩৮ চনৰ নবেম্বৰ ১৯৩৯ চনলৈ আৰু চাৰ চাদুল্লা মন্ত্ৰী সভাত ১৯৩৭-৩৮ চনত মন্ত্ৰী হিচাবে কাম কৰিছিল। মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি ইহলীলা সম্বৰণ কৰে।

বৌতাৰ বিশিষ্ট সমাজকৰ্মী, সাহিত্যিক, বড়ো-ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক শ্ৰীবিহুৰাম বড়োক যোৱা ২৭ চেপ্তেম্বৰ আবেলি কোনোবা আততায়ীয়ে গুলীয়াই হত্যা কৰে। শ্ৰীবড়ো বৌতাৰ ওচৰৰ বালিশিৰা গাৱত জন্ম গ্ৰহন কৰিছিল। কলেজীয়া পৰীক্ষা সাং কৰি তেখেতে শিক্ষকতা জীৱন-যাপন কৰিছিল।

উদীয়মান আৰু সমন্বয়ৰ প্ৰতীক শ্ৰীবড়োৰ অকাল মৃত্যুত অসম তথা দেশৰ অপূৰণীয় ক্ষতি হ'ল।

এই সকল মহান ব্যক্তিৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰাৰ বাবে বিধান সভাৰ সদস্য সকলক ২ মিনিট মৌনতা অবলম্বন কৰিবলৈ অনুৰোধ জনালো।

Now, we will observe two minutes silence.

(The House stood in silence for two minutes as a mark of respect to the departed souls)

The House now stands adjourned till 9 A.M. on Monday, the 8th October, 1990.

## Adjournment

The House then stood adjourned at 9.30 A.M. till 9 A.M. on Monday, the 8th October, 1990.

Dispur
The 5th October, 1990

S.N.Deka
Secretary
Assam Legislative Assembly

# Annexure - I

(ক) (১) গামৰি মূৰা
(২) হাঁহিম
(৩) লুকী
(৪) জলধাপাৰা
(৫) ধূপগুৰি
(৬) জোঙ্গাঁমুলি
(৭) শিলিজা নং ২
(৮) উত্তৰ ঘিলাবাৰী
(৯) গোহাল কোনা
(১০) লৱাৰ লুম্পি
(১১) উত্তৰ চেমাধৰি
(১২) নামবৰ জুলি
(১৩) চৌধুৰী পাৰা
(১৪) বুৰাচৰা
(১৫) বোন্দাপাৰা
(১৬) নাম তৰাবাৰী
(১৭) ৰূপনগৰ
(১৮) বাহজালি
(১৯) চিচাপিঠ
(২০) খালিহা উজালপাৰা
(২১) পালৰি
(২২) চন্দ্ৰা
(২৩) নোৱাপাৰা
(২৪) হাজিবাৰী
(২৫) মিৰ্জ্জা খাট
(২৬) কলিতা পাৰা
(২৭) মেমিল
(২৮) চামাৰং
(২৯) বনজাং
(৩০) তালিমৰা
(৩১) চাখটিপাৰা

# Annexure - II

(খ) (১) গামৰি মূৰা
(২) হাহিম
(৩) লুকিজাৰিহাট
(৪) জলধাপাৰা
(৫) ধূপগুৰি
(৬) জোঙ্গাঁখুলি
(৭) দিলিজা নং ২
(৮) গোহাল কোনা
(৯) উত্তৰ ঘিলাবাৰী
(১০) ৰূপ্ নগৰ
(১১) বোন্দাপাৰা
(১২) নামবৰজুলী
(১৩) খালীহা উজালপাৰা
(১৪) বুৰাপাৰা
(১৫) উত্তৰ চেখাদৰি